**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 11**-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্টফাৰ লাকছনৰ সৈতে অকলেণ্ডত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈছে।

২। দেশৰ উপকূলীয় নিৰাপত্তা সুৰক্ষিত কৰি ৰখাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কৃত্ৰিম বুদ্ধিমত্তা সুযোগলৈ ৰূপান্তৰ কৰা বাবে আহ্বান জনাইছে।

৪। ভাৰতীয় নৌ সেনাই আজি বিশাখাপট্টনমত স্বদেশী ষ্টিল্‌থ ফ্ৰীগেট **মহেন্দ্ৰগিৰি F38** আনুষ্ঠানিকভাৱে নৌ সেনাত অন্তৰ্ভুক্ত কৰিব।

***আৰু***

৫। স্পেইন বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্টফাৰ লাকছনৰ সৈতে অকলেণ্ডত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশত আলোকপাত কৰাৰ লগতে বিগত দুবছৰত বাণিজ্য আৰু উদ্যোগ তথা প্ৰতিৰক্ষা ক্ষেত্ৰত হোৱা উল্লেখনীয় অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰিব।

বৈঠকৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁৰ এই ভ্ৰমণে ভাৰত আৰু নিউজিলেণ্ডৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত ঐতিহাসিক মাইলৰ খুঁটি ৰূপে পৰিগণিত হৈছে আৰু ইয়ে দেশ দুখনৰ মাজৰ সম্পৰ্কত নতুন গতি প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে দেশখনৰ জনসাধাৰণ আৰু নেতাসকলক তেওঁলোকৰ আন্তৰিক আদৰণি আৰু সমৰ্থনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, যে বিগত দুকুৰি বছৰত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ নিউজিলেণ্ড ভ্ৰমণে দেশ দুখনৰ মাজৰ সম্পৰ্ক আৰু অংশীদাৰিত্ব শক্তিশালী কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে মুক্ত বাণিজ্য চুক্তি প্ৰক্ৰিয়া অতি কম সময়ৰ ভিতৰতে সম্পন্ন কৰাৰ বাবে প্ৰধানমন্ত্ৰী লাকছন আৰু তেওঁৰ চৰকাৰৰ নেতৃবৃন্দক প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে দুয়োখন দেশে এতিয়া কৌশলগত অংশীদাৰিত্ব স্থাপনৰ বাবে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা উচিত, যিয়ে ভৱিষ্যতৰ সহযোগিতাক নিৰ্দেশনা দিব। দুয়োখন দেশৰ মাজৰ গণতান্ত্ৰিক মূল্যবোধ আৰু সামুদ্ৰিক সম্পৰ্কত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত আৰু নিউজিলেণ্ডে ভাৰত প্ৰশান্ত অঞ্চলত শান্তি, সুস্থিৰতা আৰু নিৰাপত্তা শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে নিউজিলেণ্ডলৈ তেওঁৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্কত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলোৱাৰ লগতে গোলকীয় শান্তি আৰু সমৃদ্ধি স্থাপনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰে।

ইপিনে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্ট'ফাৰ লাকছনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণক ঐতিহাসিক মাইলৰ খুঁটি বুলি অভিহিত কৰি কয়, যে বিগত চাৰিটা দশকত এয়া হৈছে কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ দেশখনলৈ প্ৰথমবাৰৰ বাবে আগমন। প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায় প্ৰধানমন্ত্ৰী শ্ৰী লাকছনে কয়, যে এইদৰে ভাৰতীয় প্ৰধানমন্ত্ৰীগৰাকীক আদৰিবলৈ পোৱাটো তেওঁৰ বাবে আনন্দ আৰু সন্মানৰ কথা। এই ভ্ৰমণে দুয়োখন দেশৰ শক্তিশালী সম্পৰ্কক প্ৰতিফলিত কৰা বুলি প্ৰধানমন্ত্ৰী লাকছনে প্ৰকাশ কৰে। তেওঁ কয়, যে দুয়োখন দেশে বাণিজ্য ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। দুয়ো দেশৰ মাজৰ এই বাণিজ্যিক সম্পৰ্ক প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তিতকৈও উৰ্ধত বুলি তেওঁ প্ৰকাশ কৰে। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত আৰু নিউজিলেণ্ডে বিভিন্ন ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্যে সীমান্ত পৰিকাঠামো নিৰ্মাণৰ ক্ষেত্ৰত কৌশলগত সহযোগিতা স্থাপন কৰিব বুলিও ঘোষণা কৰে।

দেশখনৰ চৰকাৰী ভৱনত প্ৰধানমন্ত্ৰী মোদীক সন্মান জনাই এই দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়।

বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনৰ আগশাৰীৰ ব্যৱসায়ী আৰু ক্ৰীড়া ব্যক্তিত্বসকলৰ সৈতে বাৰ্তালাপত মিলিত হ'ব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ভাৰতীয় মূলৰ লোকসকলৰ এখন বৃহৎ সমাৱেশতো অংশ লোৱাৰ কথা।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিখন ৰাষ্ট্ৰ ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্য্যায়ত দুদিনীয়া কাৰ্যসূচীৰে কালি নিউজিলেণ্ডৰ অকলেণ্ডত উপস্থিত হৈছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে অষ্ট্ৰেলিয়া আৰু ইণ্ডোনেছিয়া ভ্ৰমণ কৰিছিল। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্ট'ফাৰ লাকছনে প্ৰধানমন্ত্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায়। দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলে প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ আগমনত উল্লাখিত হয় আৰু তেওঁক আদৰণি জনায়।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে নিউজিলেণ্ডত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে চহকী ভাৰতীয় সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাৰ বাবে তেওঁলোকক প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ আগমনত ভাৰতীয় সম্প্ৰদায়ে পৰিৱেশন কৰা ভাৰতীয় সংস্কৃতিত মুগ্ধ হৈ কয়, যে তেওঁলোকে সাংস্কৃতিক কাৰ্যসূচীৰ মাজেৰে ভাৰতৰ চহকী ঐতিহ্য আৰু সভ্যতাক প্ৰতিফলিত কৰিছে।

প্ৰধানমন্ত্ৰী মোদীৰ দেশখনলৈ দুদিনীয়া ঐতিহাসিক ভ্ৰমণ উদযাপন কৰাৰ উদ্দেশ্যে নিউজিলেণ্ডৰ সুবিখ্যাত স্কাই টাৱাৰ ত্ৰিৰংগাৰ ৰঙেৰে সজাই তোলা হৈছে। উল্লেখযোগ্য যে, এয়া হৈছে বিগত দুকুৰি বছৰৰ ভিতৰত ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ প্ৰথমটো নিউজিলেণ্ড ভ্ৰমণ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱাৰে স্কাই টাৱাৰৰ বৰ্ণিল দৃশ্য শ্বেয়াৰ কৰি এয়া ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ শক্তিশালী বন্ধুত্ব আৰু অংশীদাৰিত্বকে সূচাইছে বুলি ব্যাখ্যা কৰে।

০০০০

দেশৰ উপকূলীয় নিৰাপত্তা সুৰক্ষিত কৰি ৰখাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে বন্দৰ নিৰাপত্তা-**বি অ' পি এছ** স্থাপনৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ পৰ্যালোচনাৰ হকে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয়। শ্ৰী শ্বাহে লগতে কয়, যে কেৱল অনুজ্ঞা পত্ৰ থকা ব্যক্তিগত  নিৰাপত্তা সংস্থাসমূহকহে বন্দৰ নিৰাপত্তাৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে কেন্দ্ৰীয় ঔদ্যোগীক নিৰাপত্তা বাহিনী- চি আই এছ এফৰ দ্বাৰা প্ৰশিক্ষিত কৰ্মীকহে এই ক্ষেত্ৰত নিয়োজিত কৰিব লাগে। তেওঁ বন্দৰ নিৰাপত্তা প্ৰশিক্ষণ প্ৰতিষ্ঠানত বৰ্তমানৰ আন্তঃগাঁথনি ব্যৱহাৰ কৰি প্ৰশিক্ষণ আৰম্ভ কৰাৰ

বাবে নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰী শ্বাহে বি অ' পি এছৰ অধীনত নিয়োজিত হ'বলগীয়া সকলো নিৰাপত্তাৰক্ষীৰ বিস্তৃত তথ্য কোষ তৈয়াৰ কৰিবলৈও বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooo

বিজ্ঞান আৰু সমাজ একেলগে বিকশিত হোৱাৰ ফলস্বৰূপে প্ৰযুক্তি বৰ্তমান মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে নতুন দিল্লীত কালি অনুষ্ঠিত গ্ৰন্থ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত ভাষণ দি কয়, যে কৃত্ৰিম বুদ্ধিমত্তা সুযোগলৈ ৰূপান্তৰ কৰা আৰু ভাৰতীয় সভ্যতা তথা ইয়াৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো মূল প্ৰত্যাহ্বান হৈ পৰিছে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে দেশৰ সৰ্বাত্মক আৰু বহনক্ষম বিকাশত গুৰুত্ব দিয়া উচিত। তেওঁ লগতে কয়, যে প্ৰযুক্তিগত উন্নতি ভাৰতৰ সাংস্কৃতিক মূল্যবোধ আৰু ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ প্ৰাপ্ত বিষয়ৰ সৈতে সমন্বিত কৰা উচিত যাতে ই ৰাষ্ট্ৰ নিৰ্মাণৰ বৃহৎ লক্ষ্য পূৰণত সেৰা আগবঢ়াব পাৰে।

এই অনুষ্ঠানতে অংশগ্ৰহণ কৰি মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী সাবিত্ৰী ঠাকুৰে কয়, যে মহিলাসকলে নতুন প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰতে আবদ্ধ হৈ থাকিব নালাগে, বৰং তেওঁলোকে নিজৰ বিকাশৰ ক্ষেত্ৰতো শক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে। তেওঁ লগতে কয়, যে প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত মহিলাসকল অধিকভাৱে জড়িত হোৱাৰ প্ৰয়োজন আছে আৰু যাতে ইয়াৰ জৰিয়তে এখন সৰ্বাত্মক আৰু সৱল সমাজ গঢ়াৰ দিশত বৰঙণি আগবঢ়োৱা উচিত। তেওঁ কয়, যে ইণ্ডিয়া এ আই মিছনৰ অধীনত চৰকাৰে এ আই সম্বন্ধিয় আন্তঃগাঁথনি শক্তিশালী কৰি সমগ্ৰ দেশতে শক্তিশালী কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৰেশতন্ত্ৰ গঢ়ি তুলিছে।

oooo

ভাৰতীয় নৌসেনাই আজি বিশাখাপট্টনমত প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীৰাজনাথ সিঙৰ উপস্থিতিত এটা বিশেষ অনুষ্ঠানত ইয়াৰ ষষ্ঠ Project 17A স্বদেশী ষ্টিল্থ ফ্ৰীগেট 'মহেন্দ্ৰগিৰি' F38 আনুষ্ঠানিকভাৱে নৌসেনাত অন্তৰ্ভুক্ত কৰিব। এই নতুন যুদ্ধজাহাজখনৰ অন্তৰ্ভুক্তি ভাৰতৰ আত্মনিৰ্ভৰশীল প্ৰতিৰক্ষা নিৰ্মাণ আৰু স্বদেশী সক্ষমতা বৃদ্ধিৰ যাত্ৰাৰ আন এটি মাইলৰ খুঁটিৰূপে পৰিগণিত হ'ব।

অনুষ্ঠানৰ পূৰ্বে নৌসেনাৰ জোৱানসকলক সম্বোধন কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে, ভাৰত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সুস্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত ভাৰত প্ৰধান অংশীদাৰ। তেওঁ উল্লেখ কৰে যে দেশৰ সামগ্ৰিক বাণিজ্যৰ ৯০ শতাংশতকৈ অধিক সাগৰীয় পথৰে পৰিবহণ হয় আৰু সেয়ে নৌ-নিৰাপত্তা তথা দ্বীপসমূহৰ সুৰক্ষা ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ। বৰ্তমানৰ জটিল ভূ-ৰাজনৈতিক পৰিস্থিতিত সাগৰীয় সীমান্ত সুৰক্ষিত কৰাৰ ক্ষেত্ৰত নৌসেনাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে যুদ্ধৰ পৰিৱৰ্তিত প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি সশস্ত্ৰ বাহিনীক নতুন প্ৰযুক্তিৰে নিজকে সাজু ৰাখিবলৈ আহ্বান জনায়। তেওঁ

আশ্বাস দিয়ে যে চৰকাৰে বাহিনীক অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰযুক্তিৰে সুসজ্জিত কৰি তুলিব।

এই যুদ্ধজাহাজখন আৰ্হি নৌসেনাৰ ৱাৰশ্বিপ ডিজাইন ব্যুৰোৱে প্ৰস্তুত কৰাৰ বিপৰীতে মুম্বাইৰ মাজাগাঁও ডক শ্বিপবিল্ডাৰ্ছ লিমিটেডে নিৰ্মাণ কৰি উলিয়াইছে। ৭৫ শতাংশতকৈ অধিক স্বদেশী সামগ্ৰীৰে নিৰ্মিত এই জাহাজখন 'আত্মনিৰ্ভৰ ভাৰত' অভিযানৰ সফলতাৰ এটি অনন্য প্ৰতিফলনৰূপে পৰিগণিত হৈছে। । ইয়াৰ নিৰ্মাণত বহুকেইটা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ জড়িত হৈ থকাৰ ফলত দেশৰ প্ৰতিৰক্ষা উদ্যোগিক ভেটি শক্তিশালী হোৱাৰ লগতে নিয়োগ সৃষ্টিৰ পথো প্ৰশস্ত হৈছে।

০০০০

চৰকাৰে অতি শীঘ্ৰে E85 নামৰ এক নতুন ইন্ধন প্ৰৱৰ্তন কৰাৰ পৰিকল্পনা কৰিছে। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে প্ৰকাশ কৰা অনুসৰি, এই ইন্ধনবিধৰ দাম সাধাৰণ E20 পেট্ৰলতকৈ প্ৰতি লিটাৰত প্ৰায় ২০ টকা কম হ'ব।

অৱশ্যে, এই ইন্ধন কেৱল বিশেষভাৱে ই-৮৫ ব্যৱহাৰৰ বাবে নিৰ্মাণ কৰা বাহনতহে ব্যৱহাৰ কইব পৰা যাব। এটা সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰৰ এই পদক্ষেপৰ মূল লক্ষ্য হৈছে উপভোক্তাসকলক আৰ্থিক সকাহ দিয়াৰ লগতে চৰকাৰৰ ইথানল মিশ্ৰণ কাৰ্যসূচীক আগবঢ়াই নিয়া। ইয়াৰ উপৰি, ইথানল-মিশ্ৰিত পেট্ৰ'লৰ ফলত ইঞ্জিনৰ ক্ষতি হোৱা বা বাহনৰ কাৰ্যক্ষমতা হ্ৰাস পোৱা সম্পৰ্কে উত্থাপিত উদ্বেগসমূহো তেওঁ নস্যাৎ কৰে।

০০০০

স্পেইন ফিফা ফুটবল বিশ্বকাপ প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কালি নিশা আমেৰিকাৰ লছ এঞ্জেলছ ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত দলটোৱে বেলজিয়ামক ২-১ গ'লত পৰাস্ত কৰে। খেলৰ ৩০ মিনিটত ফেবিয়ান ৰুইজে স্পেইনক অগ্ৰগতি দিয়ে যদিও ৪০ মিনিটত চাৰ্লছ ডি কেটেলাৰে বেলজিয়ামৰ হৈ সমতা স্থাপন কৰে। ৮৮ মিনিটত মিকিেল মেৰিনোৱে স্পেইনৰ হৈ বিজয়সূচক গ'লটো কৰে।

প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মৰক্কোক ২-০ গ'লত পৰাস্ত কৰি ফ্ৰান্সে ইতিমধ্যে ছেমিফাইনেলত নিজৰ স্থান সুনিশ্চিত কৰিছে। আজি নিশা মিয়ামি

গার্ডেনছত অনুষ্ঠিত হ'বলগীয়া আন এখন কোৱাৰ্টাৰ ফাইনেলত ন'ৰৱে ইংলেণ্ডৰ সন্মুখীন হ'ব।

০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ ফাইনেলত আজি চেক গণৰাজ্যৰ কেৰোলিনা মুচ'ভা নিজ দেশৰে লিণ্ডা নস্কোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লণ্ডনত আজি খেলুৱৈ দুগৰাকীয়ে নিজৰ কেৰিয়াৰৰ প্ৰথমটো উইম্বলডন খিতাপ জয়ৰ লক্ষ্যৰে কোৰ্টত নামিব।

ছেমিফাইনেলত নস্কোভাই ইউক্ৰেইনৰ মাৰ্টা কস্তিউকক আৰু মুচ'ভাই আমেৰিকাৰ কোকো গফক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছিল

ইপিনে,পুৰুষৰ একক শাখাৰ ফাইনেলত কাইলৈ বিশ্বৰ শীৰ্ষস্থানৰ খেলুৱৈ জানিক ছিনাৰ জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছিনাৰে ছেমিফাইনেলত সাতবাৰৰ খিতাপজয়ী ন'ভাক জোকোভিছক পৰাস্ত কৰাৰ বিপৰীতে জেভৰেভে ব্ৰিটিছ খেলুৱৈ আৰ্থাৰ ফেৰীক পৰাস্ত কৰি নিজৰ কেৰিয়াৰৰ প্ৰথম উইম্বলডন ফাইনেলত স্থান সুনিশ্চিত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ